# প'ষ্ট ডক্টৰেল ফেল'শ্বিপ

ড° সমাদৃতা গোস্বামী

তললৈ হাওলি তিতা চুলিসোপা ওভতাই মোহাৰি আধা তিতা গামোচাখন বিছনালৈ দলিয়াই খপজপকৈ মূৰটো আঁচুৰি শিৰত নামমাত্ৰ সেন্দূৰকণ লৈ চকুত অলপমান কাজল বোলাই আইনাখনৰপৰা চিকুটি ফোটটো দুই চেলাউৰিৰ মাজত হেঁচা এটা মাৰি আলনাৰ পৰা হলৌ বেগটো চিলনীৰ দৰে থপিয়াই লৈ মই কেঁকোজেঁকোকৈ স্কুটিখন ঘূৰাই টিকাটো থেপেচকৈ ছিটটোত বহাই দীঘলীয়া হৰ্ন এটা মাৰি জোৰত এক্সেলেটৰ দবালোঁ। দীঘলীয়া হৰ্নটোৰে সদায় ঘৰৰ মানুহখিনিক জনাই থৈ যাওঁ যে ঘৰৰ লখিমী দিনটোলৈ ওলাল। আয়ে আগফালে বহি মোৰ আলেখলেখ চাই থাকে। আই মানে শাহু আই। আমি সৰেই আই বোলোঁ। আইক মাতযাৰ লগাবলৈ থাকি যোৱাৰ কথা ৰাস্তাত মনত পৰিল। আজি উভতি গৈ ঘৰত আইৰ ফুলা লুচি হেন মুখখন দেখাটো খাটাং।

ইতিমধ্যেই প্ৰাৰ্থনা আৰম্ভ হ'ল। হেডছাৰে টেলেকা চকুকেইটা অমৰাগুটিতকৈও ডাঙৰ কৰি চছমাৰ ওপৰেদি মোলৈ চালে। হ'ব। এয়াই যথেষ্ট। আজি পানী ঢলা মেকুৰীৰ দৰে আমন-জিমনকৈ আলেঙে আলেঙে পাঠদান কৰি ঘৰলৈ পলাব পাৰিলেই দিনটোলৈ শান্তি।

"তোমাক হেডছাৰে মাতিছে।"

প্ৰাৰ্থনাৰ শেষত মুখখনত ফূৰ্তিৰ ৰেশ জিলিকাই প্ৰয়োজনতকৈ বেছি মিঠা মাত এটা উলিয়াই জুৰি বাইদেৱে কথাটো কাণ ছোৱাই গ'ল। দেখিলোঁ জিৰণি কোঠাৰ সিটো মূৰত জুৰি বাইদেউৰ বাকী সাংগোপাংগৰে খিলখিল হাঁহি। মোৰ মুখ কেহেৰাজ বটা। হওঁতে জুৰি বাইদেউৰো মোৰ দৰে হাজাৰ ঘৰুৱা লেঠা। মোতকৈ বেছি তেওঁৰহে স্কুল পাওঁতে দেৰি হয়। কিন্তু মোৰ দুৰ্দশাত পোৱা সুখকণেৰে জুৰি বাইদেৱে হৃদয় জুৰাই স্কুলৰ সময়কণ পাৰ কৰি থাকে। তেওঁ হিকটিয়াই হিকটিয়াই হাঁহি মোলৈ বেঁকাকৈ চাই শ্ৰেণীকোঠালৈ গ'ল। সাধাৰণতে আনৰ লগত সমুখা-সমুখিকৈ বহি কথা পাতোঁতে হাতত কিবা এটা থাকিলে মই সহজবোধ কৰোঁ। বেগটোকে হাতত লৈ মই উঠিলোঁ। সৰেই মোলৈ চালে। হয়তো ভাবিলে হেডছাৰৰ সৈতে এঘড়ী যুঁজি চিধাই ঘৰলৈ যামগৈ। জুৰিৰ সাংগোপাংগই ফুচফুচনি তুলিলে। এগৰাকীয়ে টুকটুককৈ বুঢ়া আঙুলিৰে কিবা এটা ম'বাইলটোত লিখিলে। সিফালে চাগে জুৰি বাইদেউৰ ম'বাইলত টুলুং শব্দ এটা হ'লেই।

টিপিকেল ধৰণেৰে চকীত বহি তলমূৰ কৰি হেডছাৰ কাগজত কিবা লিখাত ব্যস্ত হৈ থকা নাই। তেখেতে ম'বাইলটোৰপৰা মূৰ দাঙি এবাৰ মোলৈ চালে আৰু ম'বাইলটোলৈ চাই চায়েই আঙুলিৰ ঠাৰেৰে মোক বহিবলৈ ক'লে।

মই বহিলোঁ। বেগটো পেটতে লৈ তাকে আলফুলে ধৰি থাকিলোঁ। হেডছাৰ ম'বাইলত ব্যস্ত।

"আচ্ছা, এই পি ডি এফটো কি বস্তুহে?"

যেন পুৱাৰ ধুমুহাজাক শাম কাটি এজাক জুৰ মলয়াই মোক কোবাই গ'ল। বুকুৰ অজস্ৰ সংশয় যেন নিমিষতে ধোঁৱা হৈ উৰি গ'ল। তাৰ মানে দেৰি হোৱাৰ কথা শুনাবলৈ মোক মতা নাই। ৰক্ষা। মই পোন কৰি থোৱা মোৰ পিঠিটো ধেনুভিৰীয়া কৰি চকীত এৰি দিলোঁ।

"প'ষ্ট ডক্টৰেল ফেল'শ্বিপ।"

"মানে?"

"মানে, এই যে ছাৰ মোৰ ডক্টৰেট ডিগ্ৰি এটা আছে ইচ্ছা কৰিলে মই এতিয়া পি ডি এফো কৰিব পাৰোঁ।"

"প'ষ্ট মানে পাছত, প'ষ্ট ডক্টৰেল ফেল'শ্বিপ, অ' আচ্ছা, পি ডি এফ কৰিলে পইচা-পাতি দিয়ে।"

"হয় ছাৰ।"

"ডক্টৰেট ডিগ্ৰি লাগিব?"

"হয় ছাৰ।"

এইবাৰ ছাৰে চছমাযোৰ বাঁওহাতেৰে খুলিলে। সোঁহাতেৰে ৰেজিষ্টাৰখনত মোহাৰ এটা মাৰি আলফুলে চছমাযোৰ থ'লে। ইমান চিন্তিত!

ছাৰক কিয় লাগে এইবোৰ? নে ছাৰে কেনেবাকৈ মোৰ কথা গম পাইছে? ঠিকাভিত্তিক চাকৰিটো আজি এৰোঁ কালি এৰোঁকৈ আছোঁ। প'ষ্ট ডক কৰাৰ হেঁপাহ এটা মনত আছে বাবে আলৈ-তালৈ মেইল কৰোঁ। সিদিনা আমেৰিকাৰ বিজ্ঞানী এজনে ওলোটাই মেইল কৰি মাতিলেও। মোৰ মনলৈ সংশয়ৰ ধুমুহাজাক ইতিমধ্যেই উভতি আহিছে। বুকুত তোলপাৰ লগাই ধুমুহাই চিঞৰিলে—কিয় লাগে হেডছাৰক এইবোৰ? কিয় কিয় কিয়? পিঠি পোনাই হাত দুখন টেবুলত থৈ—

"আমাৰ ইয়াত গাইডেই নাই ছাৰ। ভাৰতৰ বাহিৰত সুবিধাই সুবিধা।"

কৈ মই ছাৰলৈ চালোঁ। বুজাব খুজিলোঁ মই এই স্কুলতেই খোপনি পুতি আছোঁ আৰু থাকিম। ক'ত আৰু মোৰ দৰে সংসাৰৰ হাজাৰ লেঠা মাৰি তত নোপোৱা অবলা দুৰ্বলা নাৰী ভাৰতৰ বাহিৰলৈ পি ডি এফ কৰিবলৈ যাব!

ভাবলেশহীন মুখ এখন লৈ তেওঁ বাঁওহাতৰ তৰ্জনী আঙুলি গালত থৈ বুঢ়া আঙুলি থুঁতৰিত থৈ বাকী আঙুলিকেইটা নচুৱাই থাকিল।

"সব খেলিমেলি লাগিছেহে। অলপ বুজাই কোৱাচোন।"

"ছাৰ আজিকালি সৰেই কৰে পি ডি এফ, আমাৰ লগৰ..."

মোৰ কথা আধাতে ৰখাই ছাৰে ক'লে—

"সৰেই কৰে বুলি জানো বাৰু। মই কেনেকৈ কৰিম সেয়া কোৱা?

"আপুনি? আপুনি কৰে যদি ছাৰ পি এইচ ডিটো কৰি ল'ব লাগিব।"

ছাৰে সেমেকা চকুৰে খিৰিকীৰে দূৰণিলৈ চালে। হয়তো ছাৰৰ অলেখ সপোন আছিল স্নাতকোত্তৰ পঢ়াৰ। হয়তো ছাৰে ভাবিছিল নামৰ আগত এটা মূৰ্ধন্য ড আৰু লগত সোঁফালে সৰু শূন্য এটা মোৰ দৰে ছাৰৰ নামৰ আগতো ওলমি থাকিব। কিন্তু একো নহ'ল তেখেতৰ জীৱনত। জীৱনৰ এই বিয়লি বেলা হয়তো ছাৰৰ মনে ওভতনিৰ বাট বুলিছে। পোৱা-নোপোৱাৰ হিচাপত মন উদ্বাউল হৈছে। মোৰ মনটো ছাৰৰ দুখৰ ভৰত কোঙা হৈ হাওলি গৰমকালিৰ কুকুৰৰ দৰে জিভা উলিয়াই পৰি থকাৰ দৰে হ'ল। ছাৰক সাহস দিলোঁ—

"ছাৰ পাৰিব আপুনিও। চেষ্টাৰ অসাধ্য নাই।"

"আচ্ছা, এটা কথা কোৱা। মোৰ লগৰে এজন মানুহ, ৰাতুল শৰ্মা। ক'তা, সিতো পি এইচ ডি কৰা নাই। সি কেনেকৈ পি ডি এফ কৰিছে? কোৱাচোন? কিবা এটাতো উপায় আছে বুইছা? খবৰ ল'বাচোন।"

এইবাৰ যেন ছাৰৰ মনটো অলপ টনকিয়াল হ'ল। মইহে বিবুদ্ধিত। পি এইচ ডি নকৰাকৈ পি ডি এফ?

"অ' ছাৰ। এটা উপায় হয়তো আছে।"

মই মূৰ দুপিয়াই দুপিয়াই বিজ্ঞৰ দৰে ক'লোঁ।

"কিছুমান বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰি দিয়ে। যেনেকৈ ধৰক আমাৰ হোমেন বৰগোহাঞি ছাৰক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ডি লিট উপাধি দিছিল, শচীন তেণ্ডুলকাৰক